স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

(ডিব্রুগড় সংস্কৰণ/DIB

VOL-16 ☐ NO-26 ☐ MONDAY 30 MARCH 2026

## ড° উৎপল দাসৰ বিয়োগত ডিব্ৰুগড় জিলা গ্ৰন্থাগাৰ সংস্থাৰ শোক

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৯ মাৰ্চ ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° উৎপল দাসৰ ২৬ মাৰ্চত অকাল বিয়োগত ডিব্ৰুগড় জিলা গ্ৰন্থাগাৰ সংস্থাই গভীৰ শোক প্ৰকাশ কৰে। ডিব্ৰুগড় জিলা গ্ৰন্থাগাৰ সংস্থাৰ সভাপতি ড° শশীকান্ত শইকীয়া আৰু সম্পাদক যাদৱ শইকীয়াই এক বিবৃতিযোগে জনোৱা মতে তেওঁৰ মৃত্যুত গ্ৰন্থাগাৰ আৰু তথ্য-বিজ্ঞান, শিক্ষা জগতৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল। গ্ৰন্থাগাৰ আৰু তথ্য-বিজ্ঞান বিষয়, গ্ৰন্থাগাৰ সেৱাক বিশ্বমানৰ কৰি তোলাত তেওঁৰ উত্তৰ-পূব ভাৰতৰ ভিতৰত অগ্ৰণী ভূমিকা আছিল। তেওঁৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰিক আৰু তথ্য-বিজ্ঞান বিভাগৰ মুৰব্বী হিচাপে দায়িত্ব লৈছিল। এজন নিষ্ঠাৱান পেছাদাৰী ব্যক্তি, এজন সহানুভূতিশীল ব্যক্তি আৰু এজন প্ৰেৰণাদায়ক ব্যক্তিত্বৰ ব্যক্তি হিচাপে তেওঁ সদায় স্মৰণীয় হৈ থাকিব। ডিব্ৰুগড় জিলা গ্ৰন্থাগাৰ সংস্থাৰ তৰফৰ পৰা প্ৰয়াত ড° দাসৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰে।

## অসম কৃষি বিশ্ববিদ্যালয়ত

এগছি বন্তি প্ৰজ্বলন কৰি সভাখন উদ্বোধন কৰে। কেন্দ্ৰীয় সমিতিৰ উপসভানেত্ৰী নিজু কোঁৱৰে ত্তাই প্ৰাৰ্থনা আই-চিং-লাও পৰিৱেশন কৰে, উপ-সভানেত্ৰী ড° হিৰণ্ময়ী বৰগোহাঁইৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত ৰামেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, বৰবৰুৱা প্ৰাক্তন অধ্যক্ষা মাইনু গগৈয়ে উদ্দেশ্য ব্যাখ্যা দাঙি ধৰে, উদ্দেশ্য ব্যাখ্যাৰ আঁত ধৰি বহুকেইজন সমাজৰ লগত জড়িত ব্যক্তিয়ে মে-নাং-ৰাই মৌং-ডুন-ছুন-খাম গঠনৰ ওপৰত বক্তব্য দাঙি ধৰে। নৱগঠিত জিলা সমিতিত সভানেত্ৰী জুলি গগৈ আৰু সম্পাদিকা মৃদুলা বৰুৱা ফুকনক লৈ ৩১জনীয়া এখন সমিতি গঠন কৰা হয়। শলাগৰ শৰাই